**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-03-2024
**Time :** 1845 Hrs.

*Assamese Evening Bulletin*

**HEADLINES**

১। দীৰ্ঘদিনীয়া জল্পনা-কল্পনাৰ অন্তত কেন্দ্ৰীয় চৰকাৰৰ নাগৰিকত্ব সংশোধনী আইন সন্দৰ্ভত অধিসূচনা জাৰি ।

২। অসম বিকাশ যাত্ৰা কাৰ্যসূচীৰ অধীনত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ গোলাঘাট আৰু নগাঁৱত কেইবাটাও প্ৰকল্পৰ আধাৰশিলা স্থাপন আৰু উদ্বোধন।

৩। লোকসভা নিৰ্বাচনৰ বাবে অসম গণ পৰিষদ দলৰ ধুবুৰী আৰু বৰপেটা লোকসভা সমষ্টিৰ প্ৰাৰ্থীৰ নাম ঘোষণা ।

৪। ভাৰতীয় ষ্টেট বেংকৰ ইলেক্টৰেল ব'ণ্ড সম্পৰ্কীয় তথ্য প্ৰদানৰ বাবে সময়সীমা বৃদ্ধিৰ উদ্দেশ্যে দাখিল কৰা আবেদন খাৰিজ উচ্চতম ন্যায়ালয়ৰ ।

*আৰু*

৫। মহিলাৰ প্ৰিমিয়াৰ লীগ ক্ৰিকেটত আজি দিল্লীত হ'বলগীয়া এখন খেলত গুজৰাট জায়েণ্টছ্ ইউ পি ৱাৰিয়ৰ্ছৰ মুখামুখি।

000000

————দীৰ্ঘদিন ধৰি বিভিন্ন জল্পনা-কল্পনাৰ অন্তত আজি কেন্দ্ৰীয় চৰকাৰে নাগৰিকত্ব সংশোধনী আইন সন্দৰ্ভত অধিসূচনা জাৰি কৰে। ইয়াৰ লগে লগে দেশজুৰি এই আইন বলৱৎ হোৱাটো নিশ্চিত হৈছে। উল্লেখযোগ্য যে, বিজেপিয়ে পূৰ্বৰ লোকসভা নিৰ্বাচনত দেশত এই আইন বলৱৎ কৰা হ'ব বুলি ঘোষণা কৰিছিল। এই সন্দৰ্ভত ২০১৯ চনত সংসদৰ দুয়োখন সদনত বিধেয়ক গৃহীত হৈছিল। ইয়াৰ ফলত বাংলাদেশ, পাকিস্তান আৰু আফগানিস্তানৰ পৰা ২০১৪ চন পৰ্যন্ত ভাৰতলৈ অহা হিন্দু, জৈন, খ্ৰীষ্টান, শিখ, বৌদ্ধ আৰু পাৰ্চি ধৰ্মীয় শৰণাৰ্থীসকলে ভাৰতীয় নাগৰিকত্ব লাভ কৰিব পাৰিব। গৃহ পৰিক্ৰমা মন্ত্ৰালয়ে আজি নাগৰিকত্ব সংশোধনী আইন ২০১৯ৰ অধীনত নাগৰিকত্ব সংশোধনী নিয়ম ২০২৪ ঘোষণা কৰিছে। এই নিয়মৰ জৰিয়তে নাগৰিকত্ব সংশোধনী আইন ২০১৯ৰ অধীনত যোগ্য ব্যক্তিসকলে ভাৰতীয় নাগৰিকত্ব প্ৰাপ্তিৰ বাবে আবেদন কৰিব পাৰিব। সম্পূৰ্ণ অনলাইন ব্যৱস্থাৰে দাখিল কৰিবলগীয়া এই আবেদনৰ বাবে ৱেব প'ৰ্টেলৰ ব্যৱস্থা আছে। ইফালে, এই আইনৰ বিৰোধিতা কৰি ৰাজ্যজুৰি বিভিন্ন দল-সংগঠনে প্ৰতিবাদ অব্যাহত ৰাখিছে।

এতিয়া কেন্দ্ৰীয় চৰকাৰৰ এই ঘোষণা সন্দৰ্ভত আমি আকাশবাণীৰ সংবাদদাতা মানস প্ৰতীম শৰ্মাৰ সৈতে কথা পাতিম।

১) নাগৰিকত্ব সংশোধনী আইনকলৈ সুদীৰ্ঘ দিন বিভিন্ন বাদ-বিবাদৰ মাজতে আজি চৰকাৰে এই সন্দৰ্ভত অধিসূচনা জাৰি কৰিলে, ইয়াৰ ফলত আইনখন দেশত বাধাহীনভাৱে বলৱৎ হ'ব। চৰকাৰৰ এই ঘোষণা আৰু সিদ্ধান্ত আৰু ইয়াৰ সম্ভাব্য প্ৰতিক্ৰিয়া সম্পৰ্কে আপুনি কি ক'ব খোজে ?

মানস প্ৰতীম শৰ্মা, আপুনি এই আইন বলৱৎকৰণৰ বিভিন্ন দিশ সম্পৰ্কে শ্ৰোতাসকলক অৱগত কৰিলে। ধন্যবাদ....

00000000

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ৰাজ্য চৰকাৰৰ বিকাশ যাত্ৰা কাৰ্যসূচীৰ অধীনত গোলাঘাটত মুঠ ৭৩২ কোটি টকা আৰু নগাঁৱত ৪৮৩ কোটি টকাৰ প্ৰকল্পৰ আধাৰশিলা স্থাপন আৰু উদ্বোধন কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে গোলাঘাট জিলাৰ খুমটাই সমষ্টিত উপস্থিত হৈ অসম মালা আঁচনিৰ অধীনত ৫৭ কোটি টকা ব্যয়ৰে নিৰ্মাণ হ'বলগীয়া ১৬ কিলোমিটাৰ দৈৰ্ঘ্যৰ গোঁহাইআলি পথটোৰ আধাৰশিলা স্থাপন কৰে। ড° শৰ্মাই লগতে অসম মালা আঁচনিৰ অধীনৰে ১০৪ কোটি টকা ব্যয়সাপেক্ষ মেৰাপানী-গোলাঘাট সংযোগী ২৯ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথছোৱাৰো আধাৰশিলা স্থাপন কৰে। এই উপলক্ষে আয়োজিত এখন জনসভাত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে বিগত সময়ছোৱাত গোলাঘাট জিলাৰ আটাইকেইটা বিধানসভা সমষ্টিত সম্ভৱ হোৱা দ্ৰুত উন্নয়ন আৰু বিকাশৰ ধাৰা ভৱিষ্যতলৈ অব্যাহত থাকিব। গোলাঘাটৰ সমন্বয় ক্ষেত্ৰত অনুষ্ঠিত সভাখনত বিত্তমন্ত্ৰী অজন্তা নেওগ, কৃষিমন্ত্ৰী অতুল বৰা, বিধায়ক বিশ্বজিৎ ফুকন, মৃণাল শইকীয়া, ভবেন ভড়ালী আৰু সাংসদ কামাখ্যা প্ৰসাদ তাছাও উপস্থিত থাকে। সভাখনত গোলাঘাট জিলাৰ ৭৬ খন চাহ বাগিচাৰ আৱাসিকসকলৰ বাবে ৭৬ খন এম্বুলেন্স প্ৰদান কৰা হয়।

আনহাতে, বিকাশ যাত্ৰা কাৰ্যসূচীৰ অংশ হিচাপে নগাঁৱৰ কলিয়াবৰত অনুষ্ঠিত এখন সভাত উপস্থিত হৈ মুখ্যমন্ত্ৰী ড০ শৰ্মাই বিভিন্ন বিভাগৰ দ্বাৰা ৰূপায়িত কেইবাটাও প্ৰকল্পৰ শুভ উদ্বোধনৰ লগতে আধাৰশিলা স্থাপন কৰে। বিয়লি কলিয়াবৰৰ নলতলীত উপস্থিত হৈ ২৬ কোটি ৮৩ লাখ টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া আইন মহাবিদ্যালয়, আৰিমৰাত ৩৫ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া আদৰ্শ ডিগ্ৰী কলেজ আৰু অসম মালাৰ অধীনত প্ৰায় ৪৫ কোটি টকা ব্যয়সাপেক্ষে পুনৰ নিৰ্মাণ হ'বলগীয়া কুঁৱৰীটোলৰ পৰা শিলঘাট হৈ জখলাবন্ধালৈকে লোকনিৰ্মাণ বিভাগৰ পথৰ আধাৰশিলা স্থাপন কৰে। অনুষ্ঠানত জখলাবন্ধাৰ অত্যাধুনিক সা-সুবিধাসম্পন্ন চিকিৎসা আন্তঃগাঁথনিৰে সকলো পৰ্যায়ৰ ৰোগীৰ বাবে স্বাস্থ্য সেৱা সুলভ কৰাৰ উদ্দেশ্যেৰে স্থাপিত জিলা চিকিৎসালয়খনৰ আধাৰশিলা স্থাপন কৰে। ইয়াৰ পাছত মুখ্যমন্ত্ৰীগৰাকীয়ে জখলাবন্ধাৰ সমীপৰ নাগশংকৰত থকা ডাঃ টি আও ষ্টেডিয়ামত পেভেলিয়ন, পকী দেৱাল, খেলুৱৈ ড্ৰেছিং ৰুম, ব্যায়ামাগাৰ আৰু ১৫০০ আসন সমৃদ্ধ গেলেৰীৰ শুভ উদ্বোধন কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে চাহ বাগিচালৈ ২৩ খন এম্বুলেন্সো আগবঢ়ায়। অনুষ্ঠানটোত স্বাস্থ্য মন্ত্ৰী কেশৱ মহন্ত, বিধায়ক ৰূপক শৰ্মা, জিতু গোস্বামী, শশীকান্ত দাস আৰু সাংসদ কামাখ্যা প্ৰসাদ তাছা উপস্থিত থাকে।

00000000

————নিৰ্বাচনৰ প্ৰাক্-মুহূৰ্তত ৰাজ্যত বিভিন্ন দলসমূহৰ মাজত নিৰ্বাচনী কুচ-কাৱাজ বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। লোকসভা নিৰ্বাচনৰ বাবে আজি অসম গণ পৰিষদ দলে ধুবুৰী আৰু বৰপেটা লোকসভা সমষ্টিৰ প্ৰাৰ্থীৰ নাম ঘোষণা কৰে। দলৰ নেতা বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যই আজি গুৱাহাটীৰ আমবাৰীৰ মুখ্য কাৰ্যালয়ত আয়োজিত এখন সংবাদমেলত কৰা ঘোষণা অনুসৰি বৰপেটাৰ পৰা ফণীভূষণ চৌধুৰী আৰু

ধুবুৰীৰ পৰা জাভেদ ইছলামে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। দলটোৱে মিত্ৰজোঁটৰ অংশীদাৰ হিচাপে সমষ্টি দুটাৰ পৰা নিৰ্বাচনত অৱতীৰ্ণ হ'ব। শ্ৰী বৈশ্যই দুয়োখন আসনতে দলটোৰ প্ৰাৰ্থী দুগৰাকী জয়ী হ'ব বুলি আশা প্ৰকাশ কৰে। উল্লেখযোগ্য যে অসম গণ পৰিষদ দলে এই নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতাৰ বাবে ৪ খন আসন বিচাৰিছিল যদিও দুখনহে আসন লাভ কৰে। ডিব্ৰুগড় লোকসভা সমষ্টিৰ পৰা বিজেপিৰ প্ৰাৰ্থী হিচাপে প্ৰতিদ্বন্দ্বিতা কৰিবলৈ মনোনীত হোৱা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে এই সম্পৰ্কে মতামত ব্যক্ত কৰি কয় যে জন্মভূমি আৰু কৰ্মভূমি ডিব্ৰুগড়ৰ বাবে প্ৰাৰ্থিত্ব লাভ কৰি তেওঁ অত্যন্ত সুখী হোৱাৰ লগতে সৰ্বস্তৰৰ ৰাইজৰ আশীৰ্বাদ আৰু অকুণ্ঠ সঁহাৰি কামনা কৰিছে। আনহাতে, কৰিমগঞ্জত এ আই ইউ ডি এফৰ নেতা, প্ৰাক্তন লোকসভা সাংসদ ৰাধেশ্যাম বিশ্বাসে আজি তৃণমূল কংগ্ৰেছত যোগদান কৰা বুলি জানিব পৰা গৈছে।

আনহাতে, ৰাজ্যৰ তিনিটাকৈ লোকসভা সমষ্টিৰ বাবে প্ৰাৰ্থীৰ নাম ঘোষণা কৰি আম আদমি পাৰ্টীয়েও শোণিতপুৰ লোকসভা সমষ্টিৰ অন্তৰ্গত বিশ্বনাথ ঘাটত নিৰ্বাচনী কুচ-কাৱাজত নামি পৰিছে। এই উপলক্ষে শোণিতপুৰ লোকসভা সমষ্টিৰ আপৰ মনোনীত প্ৰাৰ্থী ঋষিৰাজ কৌন্দিন্যৰ উপস্থিতিত দলটোৰ উত্তৰ-পূৰ্বাঞ্চলৰ তত্বাৱধায়ক ৰাজেশ শৰ্মাই জনসম্পৰ্কমূলক কেজৰিৱাল কাৰ্যসূচী মুকলি কৰে।

০০০০০০০০

ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ পৱিত্ৰ ৰমজান মাহ কাইলৈ আৰম্ভ হ'ব। ইছলাম ধৰ্মীয় বিশ্বাস অনুসৰি এই মাহটো ত্যাগ আৰু আত্ম-সংযমৰ মাহ হিচাপে পালন কৰা হয়। আজি সন্ধিয়া পশ্চিম আকাশত ন-জোন দেখাৰ পাছতে তাৰাবিহ নামাজ অনুষ্ঠিত হ'ব। ইয়াৰ পাছতে কাইলৈৰ পৰা ৰমজানৰ ৰোজা পালন আৰম্ভ হ'ব। বিশ্ব শান্তি কামনাৰে পালন কৰা এই ৰমজান মাহৰ শেষত ঈদ-উল-ফিতৰ পালন কৰা হয়। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে গোৱালপাৰা জিলাত ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ মাজত ৰমজান মাহ উপলক্ষে ব্যাপক উৎসাহ-উদ্দীপনাই বিৰাজ কৰিছে। কাইলৈৰ পৰা জিলাখনৰ ইছলামধৰ্মী জনসাধাৰণে ধৰ্মীয় ৰীতি-নীতিৰে ৰোজা পালনৰ বাবে সাজু হৈ উঠিছে।

০০০০০০০০

ডিব্ৰুগড় জিলা উন্নয়ন, সমন্বয় আৰু নিৰীক্ষণ সমিতি চমুকৈ দিশাৰ এখন বৈঠক আজি কেন্দ্ৰীয় মন্ত্ৰী ৰামেশ্বৰ তেলীৰ সভাপতিত্বত ডিব্ৰুগড় জিলা আয়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত হয়। এই বৈঠকত লোকনিৰ্মাণ, কৃষি, স্বাস্থ্য, সমাজ কল্যাণ, জনস্বাস্থ্য কাৰিকৰী আদি বিভাগসমূহৰ দ্বাৰা জিলাখনত ৰূপায়ণ হৈ থকা কাম-কাজ তথা উন্নয়নমূলক আঁচনিসমূহৰ অগ্ৰগতিৰ বিষয়ে বিতংভাৱে পৰ্যালোচনা কৰা হয়। এই বৈঠকত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অধীনত জিলাখনৰ আটাইকেইটা উন্নয়ন খণ্ডত ৰূপায়ণ হৈ থকা আঁচনিসমূহৰ অগ্ৰগতিৰ বিষয়ে ব্যাখ্যা কৰা হয়। বৈঠকত জিলা আয়ুক্ত বিক্ৰম কৈৰী, জিলা উন্নয়ন আয়ুক্ত জিতু কুমাৰ দাসৰ লগতে প্ৰশাসনৰ শীৰ্ষ বিষয়াসকল উপস্থিত আছিল।

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পৰহিলৈ ভাৰ্চুৱেল ব্যৱস্থাৰে ২৭ হাজাৰ কোটি টকা ব্যয়সাপেক্ষে জাগীৰোডত ছেমি কণ্ডাক্টৰ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীয়ে অনুষ্ঠানৰ সৈতে সংগতি ৰাখি ৰাজ্যৰ যুৱক সকলক উদ্দেশ্যি বক্তৃতা আগবঢ়াব।

০০০০০০০০

উচ্চতম ন্যায়ালয়ে আজি ভাৰতীয় ষ্টেট বেংকে ইলেক্টৰেল ব'ণ্ড সম্পৰ্কীয় তথ্য প্ৰদানৰ বাবে ৩০ জুনলৈকে সময়সীমা বৃদ্ধিৰ উদ্দেশ্যে দাখিল কৰা আবেদন খাৰিজ কৰিছে। ন্যায়ালয়ে কাইলৈৰ ভিতৰত ষ্টেট বেংকক ইলেক্টৰেল ব'ণ্ড সম্পৰ্কীয় সকলো তথ্য দাখিল কৰিবলৈ নিৰ্দেশ দিছে। মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়ৰ নেতৃত্বত ৫ জনীয়া ন্যায়াধীশৰ এখন খণ্ড বিচাৰপীঠে এই শুনানিসমূহ গ্ৰহণ কৰে। বিচাৰপীঠখনে লগতে নিৰ্বাচন আয়োগক বেংকে দাখিল কৰা সকলো তথ্য ১৫ মাৰ্চৰ বিয়লি ৫ বজাৰ ভিতৰত নিজৰ চৰকাৰী ৱেবছাইটত প্ৰকাশ কৰিবলৈও নিৰ্দেশ দিয়ে।

উল্লেখযোগ্য যে, যোৱা ১৫ ফেব্ৰুৱাৰীত সৰ্বোচ্চ ন্যায়ালয়ে ইলেক্টৰেল ব'ণ্ড আঁচনি বাতিলৰ বাবে ৰায় প্ৰদান কৰাৰ লগতে ১৩ মাৰ্চৰ ভিতৰত নিৰ্বাচন আয়োগক দান-বৰঙণি সংক্ৰান্তীয় সকলো তথ্য ৰাজহুৱা কৰিবলৈ নিৰ্দেশ দিছিল। সেই অনুসৰি ষ্টেট বেংকে ৬ মাৰ্চৰ ভিতৰত নিৰ্বাচন আয়োগক তথ্য প্ৰদান কৰিব লাগিছিল, যদিও এছ বি আয়ে ২২ হাজাৰ ২১৭টা ইলেক্টৰেল ব'ণ্ড ক্ৰয়-বিক্ৰয় সম্পৰ্কীয় সকলো তথ্য বিচাৰি উলিওৱাৰ বাবে এই সময়সীমা বৃদ্ধিৰ আবেদন জনাইছিল।

সৰ্বোচ্চ ন্যায়ালয়ে এছ বি আইৰ অধ্যক্ষ দিনেশ কুমাৰ খাৰাৰ বিৰুদ্ধে বেংকে ৬ মাৰ্চৰ ভিতৰত তথ্যসমূহ দাখিলত ব্যৰ্থ হোৱাৰ লগতে আদালতক অবমাননাৰ কৰা বুলি দাখিল কৰা আবেদনৰো আজি শুনানি গ্ৰহণ কৰে।

০০০০০০০০

অসম চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে আজি পাঠশালা সাহিত্য সভাৰ নৱনিৰ্মিত ভৱনটো উদ্বোধন কৰে। ২০২৫ চনত পাঠশালাত হ'বলগীয়া অসম সাহিত্য সভাৰ ৭৭ সংখ্যক অধিৱেশনৰ পৰিপ্ৰেক্ষিতত এই নতুন ভৱনটোৰ নিৰ্মাণ কৰা হয়। ধৰ্মীয় নীতি-নিয়মেৰে আৰম্ভ কৰা উদ্বোধনী অনুষ্ঠানত ভাষণ দি মন্ত্ৰী শ্ৰীদাসে কয় যে, নৱনিৰ্মিত ভৱনটোৱে বজালী অঞ্চলৰ ৰাইজৰ এটা দীৰ্ঘদিনীয়া অভাৱ পূৰণ কৰিব। উল্লেখযোগ্য যে, প্ৰায় ডেৰ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা ভৱনটোত এটা আলোচনা কক্ষ, দুটা প্ৰেক্ষাগৃহ আৰু কাৰ্যালয় গৃহকে ধৰি সকলো ধৰণৰ সা-সুবিধা উপলব্ধ কৰা হৈছে।

০০০০০০০০

২০২৩ চনৰ বাবে সাহিত্য অকাডেমী অনুবাদ সাহিত্য বঁটাসমূহ ঘোষণা কৰা হৈছে। অসমীয়া ভাষাত টেমচুলা আওৰ **ৰানছ আপন এ লাইফ** গ্ৰন্থখনৰ অনুবাদৰ বাবে লক্ষ্যজ্যোতি গগৈ সন্দিকলৈ এই আগবঢ়োৱা হৈছে। আনহাতে নেপালী ভাষাত ছত্ৰমান চুববালৈ অনুবাদ সাহিত্য বঁটা ঘোষণা কৰা হৈছে। চুববাই লক্ষ্মীনন্দন বৰাৰ **কায়কল্প** অনুবাদৰ বাবে এই বঁটা লাভ কৰিছে । আনহাতে, পূৰবী বৰমুদৈৰ **শান্তনুকুলনন্দন** শীৰ্ষক উপন্যাসখন অনুবাদ কৰি অম্বিকাগিৰি হাজোৱাৰীয়ে বড়ো ভাষাত অনুবাদ সাহিত্য বঁটা লাভ কৰিছে।

০০০০০০০০

দৰং জিলাত আজি পোষণ পখৰাড়া নাইবা পৰিপুষ্টি পযেক আৰম্ভ হৈছে। এই উপলক্ষে জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাগৃহত উদ্বোধনী অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত জিলা আয়ুক্ত মুনীন্দ্ৰ নাথ ঙাটেই কাৰ্যসূচী উদ্বোধন কৰি কয় যে পুষ্টিকৰ খাদ্যৰ বিষয়ে সজাগতা, ৰক্তহীনতাৰ পৰীক্ষা, চিকিৎসা আৰু এই সন্দৰ্ভত আলোচনাত গুৰুত্ব আৰোপ কৰাৰ বাবে এই পযেকৰ আয়োজন কৰা হৈছে। সন্তান সম্ভৱা আৰু শিশু সন্তানৰ মাতৃৰ সুস্বাস্থ্য নিশ্চিত কৰাৰ প্ৰয়োজন সম্পৰ্কত জিলা আয়ুক্তগৰাকীয়ে প্ৰচাৰ অভিযানৰ ওপৰত গুৰুত্ব আৰোপ কৰে। আজিৰ অনুষ্ঠানত জিলা সমাজ কল্যাণ বিষয়া কোযেশ্বৰ বৰাই অংশগ্ৰহণ কৰে। তেওঁ কয় যে এই পযেকৰ অংশ হিচাপে বিভিন্ন সভা-সমিতি, সমদল, সাংস্কৃতিক কাৰ্যসূচী আদি অনুষ্ঠিত হ'ব। অহা ২৩ মাৰ্চত সামৰণি পৰিবলগীয়া পৰিপুষ্টি পযেকৰ সফল ৰূপায়ণৰ বাবে জিলা প্ৰশাসনে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ লগতে সংশ্লিষ্ট বিভাগসমূহক আহ্বান জনাইছে।

oooooooo

গোৱালপাৰা জিলাৰ আগিয়া মহাবিদ্যালয়ৰ সমীপত আজি অবিভক্ত গোৱালপাৰা জিলাৰ প্ৰথম গৰাকী শ্বহীদ নিধানুৰাম ৰাজবংশীৰ এটা পূৰ্ণাংগ মূৰ্তি উন্মোচন কৰা হয়। ৰাভা-হাছং স্বায়ত্ত শাসিত পৰিষদে মহাবিদ্যালয়খনৰ সহযোগত ১৯৪২ চনৰ অসহযোগ আন্দোলনৰ শ্বহীদগৰাকীৰ সোঁৱৰণত মূৰ্তিটো স্থাপন কৰে। পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাই শ্বহীদগৰাকীৰ পৰিয়ালৰ উপস্থিতিত মূৰ্তিটো উন্মোচন কৰে। এই উপলক্ষে জনসাধাৰণক সম্বোধন কৰি শ্ৰীৰাভাই কয় যে, শ্বহীদগৰাকীৰ কৰ্মৰাজি, ত্যাগ আৰু বীৰত্বৰ সম্পৰ্কে নৱপ্ৰজন্মক অৱগত কৰাৰ উদ্দেশ্যৰে পৰিষদে বিভিন্ন কাৰ্যসূচী হাতত লৈছে। অনুষ্ঠানটোত ৰাভা হাছং স্বায়ত্ত পৰিষদৰ অধ্যক্ষ, উপাধ্যক্ষ আৰু শিক্ষা বিভাগৰ কাৰ্যবাহী সদস্যকে ধৰি ভালেকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

oooooooo

মহিলাৰ প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত কিছুসময়ৰ পাছতে গুজৰাট জায়েণ্টছ-ইউ পি ৱাৰিয়ৰ্ছৰ মুখামুখি হ'ব। খেলখন নতুন দিল্লীৰ অৰুন জেটলী ষ্টেডিয়ামত সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। উল্লেখযোগ্য যে ইউ পি ৱাৰিয়ৰ্ছ পইণ্ট তালিকাৰ চতুৰ্থ স্থানত থকাৰ বিপৰীতে গুজৰাট জায়েণ্টছ্ পঞ্চম তথা অন্তিম স্থানত আছে।

oooooooo

ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণ আৰু ভাৰতীয় বক্সিং সংস্থাৰ সহযোগত অসম বক্সিং সন্থাই আয়োজন কৰা আৰ ই চি পূব মণ্ডল ৰাষ্ট্ৰীয় মুকলি প্ৰতিভা সন্ধানী বক্সিং প্ৰতিযোগিতাৰ পুৰুষ-মহিলাৰ যুৱ আৰু এলিট শাখাৰ খেল কাইলৈ আৰম্ভ হ'ব। এই প্ৰতিযোগিতাত সমগ্ৰ দেশৰ প্ৰায় এহেজাৰ পুৰুষ-মহিলা বক্সাৰে প্ৰতিদ্বন্দ্বিতা কৰিব। এই প্ৰতিযোগিতাৰ ছাব্-জুনিয়ৰ আৰু জুনিয়ৰ শাখাৰ খেলৰ ইতিমধ্যে সামৰণি পৰিছে। কাইলৈৰপৰা গুৱাহাটীৰ ৰাধা গোবিন্দ বৰুৱা ক্ৰীড়া প্ৰকল্পৰ দেশভক্ত তৰুণৰাম ফুকন ইন্দোৰ ষ্টেডিয়ামত হ'বলগীয়া প্ৰতিযোগিতাত অসমৰ লগতে অন্ধ্ৰপ্ৰদেশ, অৰুণাচল প্ৰদেশ, বিহাৰ, কৰ্ণাটক, ঝাৰখণ্ডকে ধৰি কেইবাখনো ৰাজ্যৰ প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিব।

oooooooo

**সমাপ্ত**